# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-APR-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ ২৪ ঘণ্টাৰো কম সময় থকা অৱস্থাত প্ৰচাৰ তুংগত। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছ দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গেৰ প্ৰচাৰ অভিযান।

২। নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনা কৰিবলৈ অসম আৰক্ষী সম্পূৰ্ণ সাজু বুলি আৰক্ষী সঞ্চালক প্ৰধানৰ প্ৰকাশ।

৩। আসন্ন নিৰ্বাচনৰ সময়ছোৱাত হিংসাত্মক কাৰ্যকলাপ বাধা দিয়াৰ বাবে বিভিন্ন সমষ্টিত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ ফ্লেগমাৰ্চ।

৪। ভোটদানৰ প্ৰতি জনসাধাৰণক আগ্ৰহী কৰিবলৈ জিলাই জিলাই ছুইপ কাৰ্যসূচী। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যৰ তিনিটা স্থানত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি আগবেলা বৰপেটা ৰোডত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। সভাত দিয়া ভাষণত তেওঁ দেশক বিকশিত আৰু আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত অসমত শান্তি আৰু উন্নয়নৰ পৰিৱেশে বিৰাজ কৰিছে। এই দশকটোত জনসাধাৰণে নিৰাপত্তাহীনতা পৰিবেশৰ পৰা সকাহ লাভ কৰিছে বুলি তেওঁ কয়। আন্তঃগাঁথনি উন্নয়নৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ৰাজ্যখনত যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ ফলত পৰ্যটনক্ষেত্ৰৰ বিকাশ হৈছে। তেওঁ ৰাজনৈতিক প্ৰক্ৰিয়াত মহিলাসকলৰ অধিক অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**বাইট (পি এম)**

প্ৰধানমন্ত্ৰীয়ে আজি হোজাইৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে তেওঁ ডিব্ৰুগড়ত নিৰ্বাচনী প্ৰচাৰ চলায়।

দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও আজি বৰাক উপত্যকাত উপস্থিত হৈ কাইলৈ পাথাৰকান্দিৰ দুখন নিৰ্বাচনী সভাত অংশ ল'ব। তেওঁ শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আন এখন সভাত অংশ ল'ব।

কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰাকৰ দুখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। সভাত দিয়া ভাষণত শ্ৰীখাৰ্গেই শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ কাম-কাজৰ সমালোচনা কৰে। জিলাখনৰ বৰখলা বিধানসভা সমষ্টিৰ দলুত আয়োজিত নিৰ্বাচনী জনসভাত শ্ৰীখাৰ্গেৰ সৈতে জিতেন্দ্ৰ সিঙো উপস্থিত থাকে। কাইলৈ শ্ৰীখাৰ্গে এখন সংবাদমেল সম্বোধন কৰিব। দলৰ নেতা গৌৰৱ গগৈ আৰু দেৱব্ৰত শইকীয়াও ব্যাপক প্ৰচাৰ চলাই আছে। শ্ৰীগগৈয়ে

আজি ৰহাত প্ৰচাৰ চলায়। প্ৰচাৰৰ সময়ত কংগ্ৰেছ নেতাগৰাকীয়ে শাসকীয় চৰকাৰৰ কাম-কাজৰ সমালোচনা কৰে। শ্ৰীগগৈয়ে আজি লখিমপুৰ সমষ্টিৰ বগীনদী উন্নয়ন খণ্ডত লখিমপুৰ সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ঘন বুঢ়াগোহাঁইৰ হৈ প্ৰচাৰ চলায়। তেওঁ ধেমাজিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী শৈলেন সোণোৱালৰ হৈও প্ৰচাৰ সভাত অংশ লয়।

**বাইট (গৌৰৱ গগৈ)**

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথৰ বিহালীত বিজয় সংকল্প সভাত অংশ লয়। বিহালীৰ কেটলা খেলপথাৰত অনুষ্ঠিত সভাত ড০ শৰ্মাই বিজেপি দলৰ প্ৰাৰ্থী মুনীন্দ্ৰ দাসৰ হৈ প্ৰচাৰ চলায়। তেওঁ বৰচলা, বিশ্বনাথ, কলিয়াবৰ, বঢ়মপুৰ, তেজপুৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। দলৰ নেতা জে পি নাড্ডাই আজি ডুমডুমা সমষ্টিত প্ৰচাৰ সভাত অংশ লয়। ৰূপাই হাইস্কুল খেলপথাৰত আয়োজিত সভাত শ্ৰীনাড্ডাই চৰকাৰৰ কল্যাণমূলক কাম-কাজসমূহৰ বিষয়ে উল্লেখ কৰে। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত এখন সংবাদমেল সম্বোধন কৰে। নেতাগৰাকীয়ে আজি নগাঁৱত প্ৰচাৰ চলোৱাৰ কথা। কাছাৰ জিলাত আজি তৃণমূল কংগ্ৰেছৰ দলৰ প্ৰাৰ্থী ছাহজাহান লস্কৰৰ হৈ পশ্চিমবংগৰ বঢ়মপুৰ লোকসভাৰ সাংসদ ইউছুফ পাঠানে প্ৰচাৰ চলায়। তেওঁ এখন মটৰচাইকেল সমদলতো অংশ লয়। তেওঁৰ সৈতে ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱ উপস্থিত থাকে। বাক্সা জিলাৰ মানাহ বিধানসভা সমষ্টিত আজি ৰাইজৰ দলৰ প্ৰাৰ্থী অঞ্জন তালুকদাৰে প্ৰচাৰ চলায়। শ্ৰীভূমি জিলাৰ উত্তৰ কৰিমগঞ্জ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ তীব্ৰ হৈ উঠিছে। কংগ্ৰেছ প্ৰাৰ্থী জাকাৰিয়া আহমেদে আজি ঠাকুৰ দিঘিৰ বজাৰত নিৰ্বাচনী সভাত অংশ লয়। তামুলপুৰ জিলাত আজি ইউ পি পি এল দলৰ এটা বিশাল সমদল উলিওৱা হয়। তামুলপুৰ সমষ্টিৰ দলীয় প্ৰাৰ্থী প্ৰমোদ বড়োৰ সমৰ্থনত মটঙা চ'কৰ পৰা পূৰণ চ'কলৈকে উলিওৱা বিশাল শোভাযাত্ৰাত সহস্ৰাধিক লোকে অংশ লয়। ৰাজ্যিক বিজেপিৰ সম্পাদক ৰবীন্দ্ৰ ৰাজু আৰু কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাট সমষ্টিৰ প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীৰ হৈ প্ৰচাৰ চলায়। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ প্ৰাৰ্থী অখিল গগৈয়ে আজি শিৱসাগৰৰ পানবেচাত এখন জনসভাত অংশ লৈ প্ৰচাৰ চলায়। মাজুলী সমষ্টিৰ কংগ্ৰেছৰ দলৰ প্ৰাৰ্থী ড০ ইন্দ্ৰনীল পেগুৱে আজি জেংৰাইমুখৰ নিজা বাসগৃহত বিধানসভা নিৰ্বাচন সন্দৰ্ভত এখন ৮ দফীয়া প্ৰতিজ্ঞাপত্ৰ মুকলি কৰে। তামুলপুৰ সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীৰ সমৰ্থনত আজি বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে প্ৰচাৰ চলায়।

০০০০০

আসন্ন নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনাৰ বাবে অসম আৰক্ষী সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে আজি এখন সংবাদমেলত এটা পৰ্যায়ত হ'বলগীয়া এই নিৰ্বাচন ঐতিহাসিক বুলি মন্তব্য কৰাৰ লগতে নিৰ্বাচন স্বচ্ছ আৰু নিকাভাৱে পৰিচালনা কৰিবলৈ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক গণতন্ত্ৰৰ এই উৎসৱত অংশ ল'বলৈ আহ্বান জনায়।

**বাইট (হৰমিত সিং)**

ৰাজ্যৰ বিভিন্ন জিলা আৰক্ষী প্ৰশাসনে নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। গোৱালপাৰা জিলাৰ এহেজাৰ ১০টা কেন্দ্ৰত ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। জিলাখনত পৰ্যাপ্ত সংখ্যক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ লোক নিয়োগ কৰা হৈছে বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই প্ৰকাশ কৰে।

**বাইট (নৱনীত মহন্ত)**

নিৰ্বাচন ত্ৰুটিমুক্তভাৱে পৰিচালনা কৰিবলৈ জিলা প্ৰশাসনসমূহেও কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। বাক্সা জিলাত নিৰ্বাচন সুচাৰুৰূপে আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ স্বাৰ্থত কাইলৈ বিয়লি ৫ বজাৰ পৰা ভোটগ্ৰহণ সমাপ্ত নোহোৱালৈকে ৰাজহুৱা সভা, সমদল আদি নিষিদ্ধ কৰা হৈছে। জিলা আয়ুক্ত কিম্‌নে চাংছানে আজি ভাৰতীয় ন্যায়

সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত এই নিৰ্দেশ জাৰি কৰে। এই সময়ছোৱাত ৰাজহুৱা স্থানত পাঁচ বা ততোধিক ব্যক্তিৰ সমাবেশৰ ওপৰতো বাধা আৰোপ কৰা হৈছে।

যোৰহাট জিলাত নিৰ্বাচনৰ সময়ত হ'বলগীয়া ৱেবকাষ্টিং ব্যৱস্থা আৰু ইয়াৰ তদাৰকৰ বাবে স্থাপন কৰিবলগীয়া নিয়ন্ত্ৰম কক্ষ সন্দৰ্ভত আজি জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীয়ে যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয় আৰু যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ত বিশেষ নিয়ন্ত্ৰণ কক্ষ স্থাপনৰ সবিশেষ বুজ লয়। আজিৰ বৈঠকত জিলা ৰিটাৰ্ণিং বিষয়াসকলৰ লগতে ৱেবকাষ্টিং কোষৰ ভাৰপ্ৰাপ্ত বিষয়া, সহকাৰী বিষয়াৰ লগতে নিৰ্বাচনৰ সৈতে জড়িত আন বিভাগীয় বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্তই নিয়ন্ত্ৰণ কক্ষসমূহৰ আন্তঃগাঁথনি আৰু প্ৰযুক্তিগত দিশসমূহ খৰতকীয়া কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনত ডাক বেলটযোগে জৰুৰীকালীন কৰ্তব্যত নিয়োজিত কৰ্মচাৰীসকলৰ ভোটদান চলি আছে। লখিমপুৰ জিলাত আজি নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ এটা দলীয় প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনত কেইবাখনো মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত বিষয়াসকলক নিৰ্বাচনী কাম-কাজ সম্পৰ্কে অৱগত কৰোৱা হয়।

০০০০০

নিৰ্বাচনৰ সময়ছোৱাত হিংসাত্মক কাৰ্যকলাপ বাধা দিয়াৰ বাবে বিভিন্ন সমষ্টিত আজি ৰাজ্যৰ বিভিন্ন সমষ্টিত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে ফ্লেগমাৰ্চ কৰে। গুৱাহাটী মহানগৰীৰ বিভিন্ন থানাসমূহৰ পৰা আৰক্ষীয়ে **নিৰ্ভয়েৰে আমি আগবাঢ়ি আহো, অভিলেখ সংখ্যক ভোটেৰে আমি অসমৰ সুনাম গঢ়ো** শীৰ্ষক বেনাৰ লৈ নিজ নিজ এলেকাত ৰোড মাৰ্চ কৰে।

তামুলপুৰত আজি জিলা আৰক্ষী, বিহাৰ ৰেজিমেণ্ট আৰু এছ এছ বিয়ে একেলগে ফ্লেগমাৰ্চ উলিয়ায়। গোৰেশ্বৰ সমষ্টিৰ অন্তৰ্গত নাগ্ৰীজুলিতো আৰক্ষী প্ৰশাসনে ফ্লেগমাৰ্চৰ জৰিয়তে নিৰাপত্তা ব্যৱস্থাৰ বুজ লয়। নগাঁও জিলাতো আজি আৰক্ষী প্ৰশাসনে ভোটদাতাক সজাগ কৰাৰ উদ্দেশ্যে বিশেষ পদযাত্ৰা উলিয়ায়।

০০০০০

ভোটদানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত ৰাজ্যত এলানি বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে নাগৰিকসকলৰ মাজত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি দায়বদ্ধতা সৃষ্টি কৰিবলৈ অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ তত্বাৱধানত জিলাই জিলাই ভোট দাতাৰ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ অধীনত ছুইপ কাৰ্যসূচীৰ অংশ হিচাপে আজি ইলেক্ট'ৰেল লিটাৰেচি ক্লাব আৰু নিৰ্বাকৰ সহযোগত দিছপুৰ মহাবিদ্যায়ত পাৱাৰ অফ ভোট শীৰ্ষক বিশেষ ভোটাৰ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নৱজ্যোতি বৰাই অনুষ্ঠানত ভোটাৰ সজাগতা আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। জিলা প্ৰশাসনৰ হৈ সহকাৰী জিলা আয়ুক্ত ঋষি বন্দনা গগৈয়ে যুৱ সমাজৰ মাজত সচেতনতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত এনে সৃজনশীল কাৰ্যসূচীৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত নিৰ্বাকৰ নিৰ্দেশক মিণাংক ডেকাৰ পৰিচালনাত প্ৰদৰ্শিত মুকাভিনয়ৰ জৰিয়তে ভোটাৰ সজাগতা আৰু দায়িত্বশীল নাগৰিকৰ গুৰুত্বৰ বিষয়টো উপস্থাপন কৰা হয়।

যোৰহাট জিলাতো যোৰহাট নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু ছুইপ কোষৰ অধীনত ভোটাৰ সজাগতা বৃদ্ধিৰ লক্ষ্যৰে আজি বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। যোৰহাট চহৰৰ দুটাকৈ অগ্ৰণী ছবিগৃহত নিৰ্বাচনী জিলাখনৰ নিৰ্বাচনী গীতটিৰ আনুষ্ঠানিক ভিডিঅ' প্ৰদৰ্শন কৰা হয়। এই ভিডিঅ'ৰ জৰিয়তে মনোৰঞ্জনৰ লগতে ভোটাৰসকলক নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সজাগ কৰি তোলাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

০০০০০

ৰাজ্যৰ বিধানসভা নিৰ্বাচনলৈ মাজত মাথো দুটা দিন বাকী থকা সময়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিনিকি ভূঞা শৰ্মাই দাখিল কৰা এজাহাৰৰ ভিত্তিত কংগ্ৰেছ নেতা পৱন খেৰাৰ বিৰুদ্ধে আজি অপৰাধ অনুসন্ধান শাখাত এটা গোচৰ ৰুজু হৈছে। ভাৰতীয় ন্যায় সংহিতাৰ ১২ টাকৈ ধাৰাৰ অধীনত এই গোচৰ ৰুজু হৈছে। উল্লেখযোগ্য যে পৱন খেৰাই দিল্লী আৰু গুৱাহাটীত কালি সংবাদ মেল পাতি মুখ্যমন্ত্ৰী ড০ শৰ্মা আৰু তেওঁৰ পত্নীক সাঙুৰি কেতবোৰ অভিযোগ উত্থাপন কৰিছিল। কিন্তু এনে অভিযোগক ভিত্তিহীন আখ্যা দি কালি নিশা ৰিনিকি ভূঞা শৰ্মাই কংগ্ৰেছ নেতাগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল।

ইপিনে, কংগ্ৰেছ দলে আজি নিৰ্বাচন আয়োগৰ ওচৰত জালুকবাৰী বিধানসভা সমষ্টিৰ অন্যতম প্ৰাৰ্থী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মনোনয়ন পত্ৰৰ সৈতে দাখিল কৰাৰ শপতনামা সন্দৰ্ভত কেতবোৰ আপত্তি দৰ্শাই অভিযোগ দাখিল কৰে। জালুকবাৰী সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী বিদিশা নেওগে দাখিল কৰা অভিযোগত তথ্য গাপ দিয়াৰ বিষয়টোৰ তদন্ত কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ আৰু মুম্বাই ইণ্ডিয়ানছৰ মাজত হ'বলগীয়া খেলখনৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ইতিমধ্যে গুৱাহাটীত আহি উপস্থিত হোৱা দুয়োটা দলৰে কিছু সংখ্যক সদস্যই আজি ষ্টেডিয়ামত অনুশীলন চলায়। উল্লেখযোগ্য যে অসম সন্তান ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছে আই পি এলৰ এইবাৰৰ সংস্কৰণৰ এতিয়ালৈকে খেলা দুয়োখন খেলতে জয়লাভ কৰিছে। কাইলৈৰ খেলখনৰ বাবে ৰাজ্যৰ ক্ৰিকেট অনুৰাগীসকলৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে।

০০০০০

সমাপ্ত